# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 22-06-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত আজি অম্বুবাচীৰ মহাযোগ আৰম্ভ হয়। আজি দিনৰ ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে ৩ দিনৰ বাবে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হয়। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব। মা কামাখ্যাৰ দুৱাৰ বন্ধ হোৱাৰ পাছতে ভক্ত, সাধু-সন্ন্যাসীসকল দেৱীৰ আৰাধনাত মগ্ন হৈছে। একেসময়তে কামাখ্যা মন্দিৰৰ নামনিৰ পৰা মন্দিৰৰ প্ৰাংগণলৈকে হাজাৰ হাজাৰ ভক্তৰ সমাগম হৈছে। অম্বুবাচী মহাযোগ উপলক্ষে সন্ধিয়া পাণ্ডু ঘাটত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অংশগ্ৰহণ কৰিব।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নামনিৰ পৰা নীলাচল পাহাৰৰ ওপৰলৈ খোজকাঢ়ি উঠি যোৱা ভক্তৰ বাবে খোৱাপানীৰ ব্যৱস্থা কৰা হৈছে। একেদৰে ঠায়ে ঠায়ে স্বাস্থ্য শিবিৰ স্থাপন কৰা হৈছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড ১৫০ গৰাকী স্বেচ্ছাসেৱক, ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচিটিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে।

০০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে আজি কোকৰাঝাৰত দলীয় নেতা আৰু কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। দুদিনীয়া কোকৰাঝাৰ ভ্ৰমণৰ সময়ছোৱাত শ্ৰীগগৈয়ে পৰ্বতঝৰা বাছবাৰী, ফকিৰাগ্ৰাম আৰু শ্ৰীৰামপুৰলৈও যাব আৰু তাত তেওঁ দলৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ উদ্দেশ্যে তৃণমূল পৰ্যায়ৰ দলীয় কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীগগৈয়ে কয় যে দলে সমাগত বি টি চি নিৰ্বাচন অত্যন্ত গুৰুত্ব সহকাৰে লৈছে। দলে তৃণমূল পৰ্যায়লৈ গৈ জনসাধাৰণৰ সৈতে সহযোগিতাৰে কাম কৰি দলীয় ভেটি শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীগগৈয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি জনসাধাৰণৰ সমস্যাসমূহ সমাধান কৰাত তেওঁ সম্পূৰ্ণ ব্যৰ্থ হোৱা বুলি অভিযোগ তোলে। তৃণমূল পৰ্যায়ৰ বাস্তৱ সমস্যাসমূহৰ সৈতে ৰাজ্য চৰকাৰৰ কোনো ধৰণৰ সম্পৰ্ক নাই বুলি অভিযোগ উত্থাপন কৰি তেওঁ কয় যে চৰকাৰখনে তেওঁলোকৰ প্ৰতিশ্ৰুতি পূৰণতো সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অম্বুবাচী মহাযোগৰ প্ৰস্তুতি সম্পৰ্কত আজি সন্ধিয়া সাত বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত কুমাৰ বৰাৰ সাক্ষাৎকাৰৰ ভিত্তিত অনুষ্ঠানটো প্ৰযোজনা কৰিব পৰিস্মিতা দিহিঙিয়াই।

০০০০০

গুৱাহাটীৰ হাতীগাঁও আৰক্ষীয়ে আজি হাতীগাঁৱৰ লিটল ফ্লাৱাৰ স্কুলৰ সমীপত অভিযান চলাই চাৰিজনকৈ আফগানিস্তানৰ নাগৰিকক গ্ৰেপ্তাৰ কৰে। আফগানিস্তানৰ নাগৰিক কেইগৰাকীক বৈধ নথি পত্ৰ অবিহনে ভাৰতত বাস কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা লোককেইজন হৈছে- অমন খান, ৰিজোৱান খান, ইউছুফ জাহিদ আৰু আছিফ ৰাণা। আৰক্ষীয়ে ধৃত আফগানৰ নাগৰিককেইজনৰ ভাড়াঘৰৰ পৰা কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ কেতবোৰ নথিপত্ৰ জব্দ কৰিছে।

০০০০০

দক্ষিণ শালমাৰাৰ বিভিন্ন অঞ্চল ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰিছে। শেহতীয়াকৈ ওৱাহাব বজাৰত বহুকেইখন ব্যৱসায়িক প্ৰতিষ্ঠান খহনীয়াৰ কবলত পৰাৰ ফলত স্থানান্তৰ কৰিবলগীয়া হৈছে। ইয়াৰ পূৰ্বেও অঞ্চলটোত খহনীয়াৰ ফলত শতাধিক পৰিয়ালৰ ঘৰ-দুৱাৰ স্থানান্তৰ কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ফলত ফকিৰগঞ্জ-আইৰকাটা সংযোগী পথলৈও ভাবুকি আহিছে। অঞ্চলটোৰ লোকসকলে খহনীয়াৰ স্থায়ী সমাধান বিচাৰি চৰকাৰক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

০০০০০

গ্ৰন্থ অধ্যয়ন অবিহনে কোনো এটা জাতি উন্নতিৰ শিখৰত আৰোহণ কৰিব নোৱাৰে বুলি ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অতিৰিক্ত সচিব অনিমেষ তালুকদাৰে মন্তব্য কৰিছে। পাঠশালাৰ ৰাইটাৰ্ছ ফ'ৰামৰ উদ্যোগত আজি আয়োজিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত তেওঁ এই বুলি কয়। অনুষ্ঠানত বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সাহিত্য একাডেমী বঁটা প্ৰাপক ড০ বীৰহাস গিৰি বসুমতাৰীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এখন সম্ভ্ৰান্ত সমাজ আৰু সুশিক্ষিত জাতিৰ বাবে গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

ধেমাজি জিলা ছাত্ৰ সন্থাৰ অন্যতম সক্ৰিয় আঞ্চলিক সমিতি - শ্ৰীপাণি আঞ্চলিক সন্থাৰ নৱনিৰ্মিত কাৰ্যালয়ত ভৱনটো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। জাতীয় ছহিদসকলৰ নামত উৎসৰ্গিত ছহিদ ভৱন নামেৰে নামকৰণ কৰা এই ভৱনটো আজি সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দীপক শৰ্মাই উদ্বোধন কৰে।

০০০০০

সমাপ্ত